*Total number of printed pages–3*

**14 (ASM–1) 1036**

# 2023

## ASSAMESE

Paper : ASM–1036

*Full Marks : 80*

Time : Three hours

***The figures in the margin indicate full marks for the questions.***

১। তলৰ *যিকোনো পাঁচটা* প্ৰশ্নৰ বিষয়বস্তু বহলাই আলোচনা কৰাঁ ঃ ১২×৫=৬০

(ক) সংস্কৃতি বুলিলে কি বুজা? সংস্কৃতিৰ সৈতে সভ্যতাৰ সম্পৰ্ক কেনেধৰণৰ? সংস্কৃতিৰ বিভিন্ন প্ৰকাৰভেদৰ উল্লেখ কৰি প্ৰতিবিধৰে চমু আভাস দাঙি ধৰা।

(খ) জনজাতীয় সংস্কৃতি বুলিলে কি বুজা? অসমৰ জনজাতীয় সংস্কৃতিৰ বিকাশত মঙ্গোলীয়মূলৰ জনগোষ্ঠীসমূহে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে, তেওঁলোকৰ উমৈহতীয়া সাংস্কৃতিক বৈশিষ্ট্যৰ আধাৰত বিচাৰ কৰাঁ।

*Contd.*

(গ) লোকসংস্কৃতি বুলিলে কি বুজা? ইয়াৰ প্ৰধান বিভাগসমূহ কি কি? লোকসংস্কৃতিৰ অন্তৰ্গত 'লোক-পৰিবেশ্য কলা' সম্পৰ্কে বহলাই আলোচনা কৰাঁ।

(ঘ) অসমৰ সংস্কৃতি সমৃদ্ধি সাধনত আহোম ৰজা ৰুদ্ৰসিংহৰ সাংস্কৃতিক অৱদান সম্পৰ্কে আলোচনা কৰাঁ।

(ঙ) সত্ৰীয়া সংস্কৃতি বুলিলে কি বুজা? অসমত সত্ৰ আৰু নামঘৰসমূহে অসমীয়া সংস্কৃতিৰ বিকাশ আৰু সমৃদ্ধিত কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে, বহলাই আলোচনা কৰাঁ।

(চ) সংস্কৃতিৰ পৰিবৰ্তন বুলিলে কি বুজা? পাশ্চাত্য শিক্ষাৰ সম্প্ৰসাৰণে আধুনিক অসমীয়া সংস্কৃতিলৈ কোন কোন দিশত পৰিবৰ্তন কঢ়িয়াই আনিছে, বহলাই আলোচনা কৰাঁ।

(ছ) অসমৰ পৰম্পৰাগত নৃত্য আৰু সঙ্গীতৰ ঐতিহ্য সম্পৰ্কে এটি সমীক্ষা প্ৰস্তুত কৰাঁ।

২। চমু টোকা লিখাঁ : *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) সামাজিক লোকাচাৰ

(খ) ঐনিতম আৰু বিহুগীত

(গ) বায়খু উৎসৱ

(ঘ) পুৰণি কামৰূপত বৌদ্ধধৰ্ম

(ঙ) লোকবিশ্বাস আৰু অন্ধবিশ্বাস

(চ) কৈৰাতজ ধৰ্মমত